# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI

0000000000

**Date :** 16-05-2025
**Time :** 17-15 HRS

***Assamese Evening Bulletin***
**Headlines**

**-------------------**

ৰাজ্যৰ দুগ্ধ উৎপাদন ক্ষেত্ৰক অধিক উজ্জীৱীত কৰি তোলাৰ লক্ষ্যৰে অসম মন্ত্ৰীসভাই ৰাণীৰ ফাৰ্ম মেনেজমেণ্ট প্ৰতিষ্ঠানৰ ২০ বিঘা ভূমি আমূল কোম্পানীক লীজত দিয়াৰ বাবে অনুমোদন জনাইছে। দিছপুৰৰ লোকসেৱা ভৱনত আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকত এই সিদ্ধান্ত লোৱা হয়। মন্ত্ৰীসভাই অহা অক্টোবৰৰ পৰা বছা বছা কেইখনমান জিলাত ৰাজ সাহায্যযুক্ত মচুৰ দাইল, চেনী আৰু নিমখ হিতাধিকাৰীৰ মাজত বিতৰণৰ বাবে অনুমোদন জনায়।

০০০০০০

বিশিষ্ট কণ্ঠশিল্পী গায়ত্ৰী হাজৰিকাৰ আজি আবেলি গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত দেহাৱসান ঘটে। দীৰ্ঘদিন ধৰি কৰ্কট ৰোগত আক্ৰান্ত হৈ থকা শিল্পীগৰাকীৰ মৃত্যুৰ সময়ত বয়স হৈছিল ৪৩ বছৰ। সৰা পাতে পাতে ফাগুন নামে, জোনাক নাছিল বনত, মন মোৰ উৰি ফুৰে, যেতিয়া জোনাক নামিছিল, মাথো এজাক বৰষুণ আদিকে ধৰি বহুকেইটা জনপ্ৰিয় গীতেৰে জনসাধাৰণক মোহাবিষ্ট কৰা গায়ত্ৰী হাজৰিকাই ২০২১ চনত ৰত্নাকৰ বোলছবিৰ **ৰাতি ৰাতি** শীৰ্ষক গীতটোৰ বাবে শ্ৰেষ্ঠ কণ্ঠ শিল্পীৰ প্ৰাগ চিনে এৱাৰ্ড লাভ কৰিছিল। তেওঁ বৈদেহি, ৰ'দালি, দামিনি, পৰিনিতা, আপ্লনা আদি অসমীয়া চিৰিয়েলৰ শীৰ্ষ গীততো কণ্ঠদান কৰিছিল। যোৱা বছৰ মুক্তি পোৱা অসমীয়া ছবি **সুন্দৰপুৰ কেঅছ**ৰো তেওঁ অন্যতম প্ৰযোজক আছিল। গুৱাহাটীৰ তাৰিণি চৌধুৰী ছোৱালী হাইস্কুলৰ পৰা স্কুলীয়া শিক্ষা গ্ৰহণ কৰা গায়ত্ৰী হাজৰিকাই কলিকতাৰ ৰবীন্দ্ৰ ভাৰতী বিশ্ববিদ্যালয়ৰ পৰা সংগীতত স্নাতক ডিগ্ৰী লাভ কৰাৰ লগতে লক্ষ্ণৌৰ ভাটখাণ্ডে সংগীত বিদ্যাপীঠৰ পৰা এম মিউজ ডিগ্ৰী লাভ কৰিছিল। ১৯৯২ চনতে আকাশবাণী গুৱাহাটী আৰু গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰত শিশু শিল্পী হিচাপে গীত পৰিৱেশন কৰা গায়ত্ৰী হাজৰিকা আকাশবাণী গুৱাহাটীৰ স্বীকৃতিপ্ৰাপ্ত শিল্পী আছিল। শিল্পীগৰাকীৰ নশ্বৰ দেহ গীতানগৰ বিহুতলিলৈ অনা হৈছে আৰু ইয়াত সাংস্কৃতিক জগতৰ ভালেসংখ্যক কৰ্মী আৰু গুণমুগ্ধই তেওঁৰ প্ৰতি শেষ শ্ৰদ্ধা জনাইছে। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু পবিত্ৰ মাৰ্ঘেৰিটাই শিল্পীগৰাকীৰ মৃত্যু গভীৰ শোক প্ৰকাশ কৰিছে। আজি সন্ধিয়া নৱগ্ৰহ শ্মশানত শিল্পীগৰাকীৰ শেষ কৃত্য সম্পন্ন কৰা হ'ব। গায়ত্ৰী হাজৰিকাৰ মৃত্যুত অসমৰ সাংস্কৃতিক জগতত শোকৰ ছাঁ পৰিছে।

০০০০০

অহা ২৫ মে'ৰ পৰা পৰৱৰ্তী জাননী নিদিয়া পৰ্যন্ত নামেৰী ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যঘ্ৰ সংৰক্ষিত বনাঞ্চলৰ ক'ৰ জ'নত ট্ৰেকিং বন্ধ থাকিব। পশ্চিম অসম বন্য প্ৰাণী সংমণ্ডলৰ বন বিষয়া তথা নামেৰী ব্যঘ্ৰ সংৰক্ষিত বনাঞ্চলৰ সঞ্চালকে এই কথা জানিবলৈ দিয়ে। ভাৰত চৰকাৰৰ পৰিবেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয় আৰু ৰাষ্ট্ৰীয় ব্যঘ্ৰ সংৰক্ষণ প্ৰাধীকৰণৰ নিৰ্দেশ অনুসৰি বনাঞ্চলৰ সঞ্চালকগৰাকীয়ে এই জাননী প্ৰকাশ কৰিছে।

০০০০০

বজালী জিলা প্ৰশাসনে আজি বজালী জিলাৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত ৯০ বছৰ উৰ্ধৰ নাগৰিকসকলৰ বাবে স্পৰ্শ শীৰ্ষক বিশেষ আঁচনিৰ দ্বিতীয় সংস্কৰণ শুভাৰম্ভ কৰে। জিলা আয়ুক্ত মৃদুল কুমাৰ দাসে এই আঁচনিৰ শুভাৰম্ভ কৰে। এই পৰ্যায়ত জিলাখনৰ ৯০ ৰ উৰ্ধৰ ব্যক্তিসকলক সামৰি অভিজ্ঞ চিকিৎসকৰ দ্বাৰা তেওঁলোকৰ স্বাস্থ্যপৰীক্ষা কৰা হয়। আজিৰ অনুষ্ঠানত জিলা আয়ুক্তকে ধৰি প্ৰশাসনৰ বহুকেইগৰাকী উচ্চ পদস্থ বিষয়া আৰু কেইবাজনো স্বাস্থ্য বিষয়া তথা চিকিৎসক উপস্থিত থাকে। ০

০০০০০

দেশৰ আন আন প্ৰান্তৰ লগতে বজালী জিলাতো আজি ৰাষ্ট্ৰীয় ডেংগু দিৱস উদ্‌যাপন কৰা হয়। এই উপলক্ষে জিলা স্বাস্থ্য সমিতি, বজালী আৰু ৰাষ্ট্ৰীয় বাহকজনিত ৰোগ নিয়ন্ত্ৰণ আঁচনিৰ উদ্যোগত মধ্য বজালী চিনিয়ৰ চেকেণ্ডাৰী স্কুল, নিত্যানন্দ প্ৰাঙ্গনত এখন সজাগতা সভাৰ আয়োজন কৰা হয়। বিদ্যালয়ৰ অধ্যক্ষৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত জিলাখনৰ সদৰ মহকুমা স্বাস্থ্য বিষয়া ডাঃ দিপ্তী চৌধুৰী উপস্থিত থাকি ডেংগু ৰোগৰ সংক্ৰমন, প্ৰতিৰোধ আৰু চিকিৎসা ব্যৱস্থাৰ বিষয়ে উপস্থিত লোকসকলৰ সৈতে আলোচনা কৰে। আজিৰ এই সভাৰ জৰিয়তে ডেংগুৰ প্ৰতি জনসাধাৰণৰ সচেতনতা বৃদ্ধি আৰু স্বাস্থ্য সন্মত পৰিবেশ গঠনৰ আহ্বান জনোৱা হয়। বজালী জিলা নিত্যানন্দৰ লগতে ভৱানীপুৰতো ডেংগুৰ বিষয়ে সজাগতা সভা অনুষ্ঠিত হয়।

০০০০০

নাগালেণ্ডৰ লংলেং জিলা প্ৰশাসনৰ উদ্যোগত জিলাখনৰ য়ংলক ৰাজহুৱা খেলপথাৰত আজি অসম আৰু নাগালেণ্ডৰ মাজত সাংস্কৃতিক বিনিময়ৰ এক বিশেষ কাৰ্যসূচী অনুষ্ঠিত হয়। দুয়োখন ৰাজ্যৰ জনসাধাৰণৰ মাজৰ সম্পৰ্ক আৰু সমন্বয় অধিক মজবুত কৰাৰ উদ্দেশ্যে দিনযোৱা কাৰ্যসূচীৰে আয়োজন কৰা এই কাৰ্যসূচীত নাগালেণ্ডৰ তামলু বিধানসভা সমষ্টিৰ বিধায়ক, লংলেং বিধানসভা সমষ্টিৰ বিধায়ক, অসমৰ নাজিৰা বিধানসভা সমষ্টিৰ বিধায়ক দেৱব্ৰত শইকীয়াৰ লগতে লংলেং আৰু শিৱসাগৰ জিলা প্ৰশাসনৰ বহুকেইজন বিষয়া আৰু ব্যক্তিয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানত অসমৰ বিহু হুচৰি আৰু জেং বিহু নৃত্য প্ৰদৰ্শন কৰা হয়। ইপিনে, নাগালেণ্ডৰ বহুকেইটা সাংস্কৃতিক দলে তেওঁলোকৰ ঐতিহ্যমণ্ডিত লোকনৃত্যৰ মাধ্যমেৰে নিজৰ সংস্কৃতি প্ৰদৰ্শন কৰে।

০০০০০

বৰপেটাত আজিৰ পৰা ভাৰতীয় খেল প্ৰাধিকৰণৰ একাডেমীক শাখা নেচনেল ইন্সটিটিউট অৱ স্পোৰ্টছৰ অধীনত প্ৰতিভাসম্পন্ন  ভলীবল খেলুৱৈ বাচনিৰ এটা শিবিৰ অনুষ্ঠিত হৈছে। অসমৰ আন্তৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন ভলীবল খেলুৱৈ অভিজিৎ ভট্টাচাৰ্য্যৰ আচাম মিছন 100 ভলীবলৰ সহযোগত বৰপেটা মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ ভলীবল খেলপথাৰত অনুষ্ঠিত এই শিবিৰত প্ৰশিক্ষক তথা পৰিদৰ্শক হিচাপে ৰাজস্থানৰ ৰাষ্ট্ৰীয় পৰ্যায়ৰ ভলীবল খেলুৱৈ আছিফ খানে যোগদান কৰিছে। এই শিবিৰ ১৫ দিন ধৰি চলিব বুলি আমাৰ বৰপেটাৰ সংবাদদাতাই জানিবলৈ দিছে।

০০০০০০

ঃঃ সমাপ্ত ঃঃ

ঃঃঃঃঃঃঃঃ